# চেলুনত

প্ৰতিবিম্বিত মুখবোৰৰ লগত তাৰ এতিয়াও কোনো যোগাযোগ আহা নাই, কোনো আগ্ৰহ জন্মা নাই, কোনো ঔৎসুক্য ওপজা নাই। এই চেলুনখনতে হয়তো সি বাকী জীৱন চুলি কাটিব, আজিৰপৰা হয়তো সি জীয়াই থাকিব লাগিব এই আচহুৱা মুখবোৰৰে মাজত, বিভিন্ন ঘটনাচক্ৰত ইয়াৰে বহুকেইখন তাৰ লগত জড়িত হৈ পৰিব হয়তো—যেনেকৈ বাহিৰৰ সেই বহল, বিশ্ৰী, আচহুৱা ৰাস্তাটো তাৰ বাকীছোৱা জীৱনৰ এটা অংশ হৈ পৰিব, য'ত স্তূপ-স্তূপ আৱৰ্জনাৰপৰা ধূলি আৰু মাখি উৰিছে, য'ৰ ইতস্ততঃ গাঁতবোৰৰপৰা এতিয়াও বৰষুণৰ পানী শুকোৱা নাই আৰু বোকাৰ ওপৰত মটৰগাড়ীৰ টায়াৰৰ চাপ সাঁচ বান্ধিছে, য'ত চাম-চাম গেঞ্জী পিন্ধা আদহীয়া মানুহ আৰু ড্ৰেইনপাইপ পিন্ধা ডেকাল'ৰা আৰু শুদা গা ৰিক্সাৱালা জুম বান্ধি-বান্ধি আড্ডা দিছে, আৰু য'ত সৰ্বত্ৰ আমৰ বাকলি আৰু শুকান আমৰ গুটিৰ ওপৰত জাক-জাক ভেনামাখি ভেন্-ভেন্ কৰিছে, চাঙত তোলা পাণ-চিগাৰেটৰ দোকানবোৰৰপৰা তীক্ষ্ণ কৰ্কশ ধাতব ধ্বনিৰে প্ৰচণ্ড জোৰত একাধিক লাউডস্পীকাৰে একাধিক হিন্দী গানৰ আৱাজেৰে বতাহ ভৰাই দিছে এই ৰাতিপুৱাই। এই সকলোবোৰ হয়তো সি বাকী জীৱন মানি ল'ব লাগিব, নাকত ৰুমাল দি কাণত আঙুলি দি চকুত গগল্‌ছ্ লগাই বাকী জীৱন এইবোৰৰ লগত তাক খাপ খুৱাই ল'ব লাগিব—কিন্তু এই মুহূৰ্তত নহয়। এই মুহূৰ্তত তাৰ নিজৰ চিন্তাত সি আচ্ছন্ন, এই মুখবোৰ এতিয়াও কিছুমান প্ৰতিবিম্ব মাত্ৰ, চেলুনৰ আৰ্চীত ভাহি উঠিছে, ৰৈছে, অদৃশ্য হৈ গৈছে, বিভিন্ন চুলি আৰু গোঁফ-দাড়িৰে বিভিন্ন মুখ—কিন্তু মাথোঁ মুখ। গোটেই ৰাতিৰ দীঘল, ঠাহ খোৱা, বিনিদ্ৰ ৰেলভ্ৰমণৰ পাছত সি ক্লান্ত, আৰু তাৰ সমস্ত চেতনা তাৰ নিজৰ জীৱনৰ ওপৰত পৰিব্যাপ্ত, কেনেকৈ সি ইয়ালৈ আহিল, সি কি কৰিলে, তাৰ কি হ'ব। কি কৰিলে, সেইটো এটা দীঘল কাহিনী—অৱশ্যেই—দুনিয়াভৰ্তি ৰাশি-ৰাশি অকৃতকাৰ্যতাৰ কাহিনীৰ আৰু আন এটা মাত্ৰ, একঘেঁয়ে, আমনিলগা—যাৰ খুটি-নাটি ভাবিবৰ বাবে তাৰ মন এতিয়া অক্ষম, সেইবোৰ সি পাছত এৰি থৈ আহিছে। বহু আশা কৰি সি ইয়ালৈ আহিছে তাৰ অতদিনৰ চহৰখন এৰি, পুৰণি জীৱন তাৰ মনৰপৰা মচি পেলাব, বহু আশা কৰি আহিছে সি, যেন এই অচিন চহৰখনত এই চাকৰিটো পায়,—যেন নতুন জীৱনৰ এটা খোপনি পুতি ল'ব পাৰে। কি হ'ব—অ' মাথোঁ সেইটো এতিয়া সি ভাবিব, দহ বজাত তাৰ চাকৰিৰ ইন্টাৰভিউ, ট্ৰেইনৰপৰা নামিয়েই ষ্টেশ্যনৰ একাপ উগ্ৰ চাহ খাই সি ৰিক্সা এখন লৈ নতুন চহৰৰ ৰাস্তাৰে ছুটিছে, প্ৰথমেই যিখন চেলুন চকুত পৰিছে তাতে নামি পৰিছে, ইন্টাৰভিউলৈ যোৱাৰ আগতে দাড়িখিনি খুৰাই ল'ব, তাৰপাছত কোনো এখন ৰেষ্টুৰেন্টত ভালদৰে মুখখন ধুই—

বাহিৰত ৰ'দ উঠি আহিছে, চেলুনৰ পাতল ফিনফিনীয়া পৰ্দাৰ ফাঁকেৰে আসন্ন অগ্নিকুণ্ডৰ আভাস ইতিমধ্যে ক্ৰমে স্পষ্ট হৈ উঠিব ধৰিছে। কিন্তু তথাপি, বাহিৰৰ উঠি অহা ৰ'দৰপৰা ইয়াত কিছু শান্তি—চেলুনৰ আবহাওৱা ভিজা, আৰ্দ্ৰ; ডেটল্, চিগাৰেট, আতৰপানী আৰু নকল বিলাতী স্ন'ৰ গোন্ধ, তাৰ ঘৰৰ চহৰখনৰ অভ্যস্ত চেলুনখনৰদৰেই, পকা উঠি যোৱা মজিয়াত ধূলি, চুলি আৰু তেলপঁইতাচোৰ, দেৱালজোৰা ঠাক আৰু খুপৰি-খুপৰি দেৰাজ, হৰ-পাৰ্বতীৰ কেলেণ্ডাৰ আৰু অভিনেত্ৰীৰ ছবি, মাথোঁ কথা-বাৰ্তাৰ টুকুৰাবোৰ বেলেগ, ভোজপুৰী, হিন্দী, উৰ্দু। চেলুনখন খুব সৰু নহয়, কিন্তু মাথোঁ তিনিজন মানুহে চুলি কটাৰ ব্যৱস্থা। বাকীবোৰ মানুহ বহি আছে, দৰজাৰ বাহিৰত হেলান দি এটা ড্ৰেইনপাইপ পিন্ধা ল'ৰাই নিৰ্বিকাৰভাৱে সুহুৰি দিছে আৰু ৰাস্তাৰ মানুহ চাইছে, তাৰ এখন ভৰি এটা বুঢ়া মুচীৰ চামৰা এটুকুৰাৰ ওপৰত তুলি দিছে, মুচীয়ে তাৰ জোঙা জোতাযোৰত গজাল মাৰিব ধৰিছে। চেলুনৰ সোঁমাজত কেৰ্-কেৰ্ কৰি আস্তে-আস্তে এখন ফেন ঘূৰিছে, কিন্তু তাৰ বতাহ সি বহা চুকটোলৈ অহা নাই। ষ্টেশ্যনৰ কড়া চাহকাপ খাই যেন এতিয়া আৰু বেছিকৈ পিয়াহ লাগিব ধৰিছে, গলটো বাৰে-বাৰে শুকাই যাব ধৰিছে, টোপনি খতি চকু দুটা বাৰে-বাৰে মুদ খাই আহিব খুজিছে, সমস্ত শৰীৰত অৱসাদ, সমস্ত মনত ক্লান্তি—

কোনোবাই ঘূৰ্ণী চকীখন ঘৰ্‌ৰ কৰি ঘূৰাই দিলে, কোনোবাই ঠাকত ঠক্ কৰি শ্বেম্পুৰ বটল এটা নমাই থ'লে, কেচিৰ কিচ্-কিচ্ শব্দ কোনোবা চুকত বন্ধ হৈ গ'ল—আৰু সি হঠাৎ বুজিব পাৰিলে যে সি নিৰ্নিমেষে তাৰ বাওঁহাতৰ আয়নাখনলৈ চাই আছে। বিভিন্ন গোঁফ আৰু চুলিৰ চাটৰ নক্সাখনৰ তলত যিখন মুখ তাত বহিছে চাবোনৰ ফেন আৰু গলত বন্ধা বগা কাপোৰেৰে প্ৰায় অদৃশ্য হৈ, এখন আয়তাকাৰ মুখ, ফুট-ফুট ক্ষীণ আইৰ দাগ, চেপেটা নাক, ঈষৎ কৃষ্ণবৰ্ণ—সি বুজিব পাৰিলে যে সেই মুখখনৰ চেপি ধৰা, দৃঢ় ওঁঠ দুখনৰ মাজৰ ৰেখাটোৰ লগত সাদৃশ্য আছে তাৰ বাল্যবন্ধুৰ, তাৰ মেছৰ ৰুমমেট ভোলা বৰাৰ, আৰু সি বুজিব পাৰিলে যে তাৰ মনৰ গভীৰত সি জানে যে পুৰণি কথা মচি পেলোৱা ইমান সহজ নহয়, তাৰ মনৰ তলিত ক'ৰবাত এই ভয় সদায় আছে যে ইমান দিন যি হৈ গ'ল তাৰ চাপ হয়তো কিবা নহয় কিবা ৰূপে থাকি যাব সমস্ত জীৱন, আৰু হয়তো সেইবাবেই, তাৰ অজ্ঞাতেই হঠাৎ কেতিয়া তাৰ অৱসন্ন মন আৰু নিদ্ৰালু চকু এই প্ৰতিবিম্বটোত আচ্ছন্ন হৈ পৰিছে। এইজন কেনেকুৱা মানুহ হ'ব পাৰে সি অলসভাৱে কল্পনা কৰিবৰ চেষ্টা কৰিছে। মানুহজনৰ দৃঢ়তা আছে, সন্দেহ নাই, মানুহজনে তেওঁৰ অভীষ্ট বস্তুৰ বাবে লাগি থাকিব পাৰে, পাৰ্চিভিয়াৰিং, টেনেচিয়াচ—হৈ-চৈ কৰি তেওঁ অস্থিৰ নহয়, হৈ-চৈ কৰি তেওঁক অস্থিৰ কৰিব নোৱাৰি, তেওঁৰ বাবে কি ভাল হ'ব তেওঁ জানে, তেওঁৰ দৃঢ়তা তেওঁৰ চেপা ওঁঠ দুখনত সুস্পষ্ট। কল্পনা কৰা কঠিন নহয় যে তেওঁৰ এজন বন্ধু আছিল ল'ৰাকালিৰ, একেলগে ডাংগুটি আৰু ফুটবল খেলিছিল, একেলগে ইস্কুল-কলেজৰ বেঞ্চিত বহিছিল, কালক্ৰমে একে মেছতে একেটা ৰুমতে থাকি দুয়ো চাকৰি কৰিছিল,—আৰু লাহে-লাহে এই উপলব্ধি তেওঁৰ বদ্ধমূল হৈ উঠিছিল যে এনেকৈ থাকিলে নহ'ব, সংসাৰ ভীষণ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ, নিজৰ উন্নতি কৰিব লাগিব, নিজৰ দিশটো চাব লাগিব, তেওঁৰ লগত জোকৰদৰে লাগি থকা হতাশ স্বভাৱৰ এই আকাংক্ষাহীন বন্ধুটোৰ লগত ওৰে জীৱন কটালে নহ'ব। নিজৰ বাবে কি ভাল তেওঁ জানে, পুৰণি আইৰ ফুটবোৰ গুচাবলৈ সদায় ৰাতি-ৰাতি তেওঁ মুখত নানাৰকমৰ ক্ৰীম ঘঁহে (আৰু, এই অধ্যৱসায়ৰ ফলো নোহোৱাকৈ থকা নাই অলপ অলপকৈ), আৰু কেতিয়া যে তেওঁ মনে-মনে কাকোঁ নজনোৱাকৈ দৰ্খাস্ত কৰিলে, ইন্টাৰভিউ দিলে, স্কলাৰশ্বিপ পালে, আৰু অকস্মাৎ এদিন আমেৰিকালৈ গুচি গ'ল, তেওঁৰ বিশ্বস্ত বন্ধুৱে তাৰ পাত্তাই ধৰিব নোৱাৰিলে। তেওঁক সি কিমান বিশ্বাস কৰিছিল, তেওঁক নজনোৱাকৈ সি কোনো এটা কাম কৰা নাছিল কোনো দিনে, তেওঁৰ ওপৰত পদে-পদে সি কিমান নিৰ্ভৰশীল আছিল! অলপ সেমেনা সেমেনি কৰি কৃত্ৰিম বিব্ৰতমুখে তেওঁ তাক ক'লে, “পাম বুলি একেবাৰে আশাই কৰা নাছিলোঁ ভাই। নাপালে মিছামিছি তহঁত চবৰে আগত লাজত পৰিলোঁহেঁতেন, সেইকাৰণেই তহঁতক কাকো আগতে একো নক'লোঁ, বুজা নাই? আৰু তোক কোৱাটোতো আৰু এটা মস্কিল—স্কলাৰশ্বিপ অৱশ্যে সাতটাই আছিল, কিন্তু তইতো নিজে কেতিয়াও এপ্লাই নকৰিলেহেঁতেন, তোক কৈ তো কোনো লাভ নহ'লহেঁতেন, যেনেকুৱা পেচিমিষ্টি তই, ফলত তোৰ লগতে মোৰো একো কৰা নহ'লহেঁতেন। তইতো একোৱেই কৰিব নোখোজ—ইমান দিনৰ চিনাকি আইমনুজনীকো আজিলৈকে মনৰ কথাষাৰকে

ক’ব নোৱাৰিলি!—আৰু ইপিনে লহকৰে কিমান ৰকম ফন্দী লগাব ধৰিছে, দুদিন পাছত তোক চুপাৰ্‌চিড কৰি তোৰ ওপৰত উঠি যাব, চবতো দেখিছই, তথাপি তইতো কোনো ষ্টেপ্ লোৱা নাই, খালি হা কৰি বহি আছ! হাউএ’ভাৰ, নেক্সট্ ইয়াৰ আৰু কেইটামান স্কলাৰশ্বিপ্ এনাউন্স কৰিব, তই যদি ইচ্ছা কৰ—”

গলটো আকৌ শুকাই গৈছে, ভীষণ পিয়াহ লাগিছে...ঠিক, নিজৰ কিহত ভাল হয় এই মানুহজনে জানে, নিজৰ কল্যাণৰ বাবে কিবা এৰিব লাগিলে কোনো কুণ্ঠা...তেওঁৰ নিশ্চয়মনা উদ্যমৰ সন্মুখত থিয় দিয়াৰ তাৰ সমান্যতম সম্ভাবনাও আছে নে? আজি দহটা বজাত যদি এই মানুহজন ইন্টাৰভিউত প্ৰাৰ্থী হৈ, তাৰ প্ৰতিদ্বন্দ্বী হৈ গৈ ওলায়, তাৰ আৰু কিবা প্ৰয়াস, কিবা আশা থাকিব নে?

অকস্মাৎ এটা প্ৰবল হুলস্থূলৰ ধাক্কাত চেলুনৰ শান্ত গুঞ্জন ভাঙি চূৰমাৰ হৈ গ’ল।

“আৰ্-ৰে, ইউনুচ্, আৰে ইয়ে তো বতাও হালৎ ক্যায়চা হ্যায়? আৰে আজ এক ভি কুৰ্চী খালি নহি হ্যায়?” একমুখ ঝলমল হাঁহি লৈ চিঞৰি-চিঞৰি যিজন মানুহ হাত জোঁকাৰি-জোঁকাৰি ভিতৰত সোমাল, সেইজন সম্ভৱতঃ পুৰণি খৰিদ্দাৰ, ধামধুম চাৰিওপিনে পিঠি থপৰিয়াব আৰম্ভ কৰি দিছে, পৰিষ্কাৰ দাড়ি খুৰোৱা মুখ, চিকচিকীয়া জোতা, হাতত মোটা ব্ৰীফকে’চ, বুছ্ শ্বাৰ্টৰ পকেটৰ ওপৰত গগল্‌ছ্‌ৰ ঠাৰি আৰু ফাউন্টেন পে’ন্, সম্ভৱতঃ কোনো কোম্পানীৰ প্ৰতিনিধি বা বীমা কোম্পানীৰ এজেন্ট, তেওঁ সকলোকে চিনি পায়, তেওঁৰ সকলোৰে লগতে ভাল, আচ্ছাহিতো চল্ ৰহা হ্যায় না, আৰে ইয়ে তো বতাও গৰ্মি ক্যায়চা হ্যায়, বিজনেচ্ ক্যায়চা হ্যায়, দিয়াচোন খুব ফাৰ্ষ্টক্লাছ কৰি মোৰ চুলিকেইডাল তাৰাতাৰি পেলাই, জৰুৰী এপয়ন্টমেন্ট, ভাইচাহাব, অলপ মেহেৰবাণী কৰি যদি মোক আগেয়ে চুলিকেইডাল খচ্-খচ্-খচ্-খচ্-কৈ কাটি যাব দিয়ে, আপোনাৰ তো দছ মিনিট দেৰি হ’লেও কোনো লোকচান নাই—কি, এই ভাইটি পুৱাৰপৰাই বৈ আছে? আচ্ছা, আচ্ছা, কোই বাৎ নহি, কোই বাৎ নহি, কৰিমভাই, দিয়াচোন ভাইটিৰ চুলিকেইডাল ফাৰ্ষ্টক্লাছ কৰি বনাই দিয়া চটপট, ভাইটিৰ ইস্কুল আছে, মই বাৰু বহিছোঁ, কোনো কথা নাই, এই দছ মিনিট টাইম ঠিক মে’ক্ আপ্ কৰি লোৱা যাব, এই যে ইয়াত ফেনৰ হাৱা আছে, উঃ কি গৰম, হা, কালি ৰাতি সঙ্গম চাম বুলি গৈছিলোঁ, কিন্তু—

বাহিৰৰ ড্ৰেইনপাইপ ল’ৰাটোৱেও সুহুৰি বন্ধ কৰি বীমা এজেন্টৰ কথা শুনিছে, যিজন মানুহক কাষতে পাই পাকড়াও কৰি তেওঁ চিনেমা-ৰাজনীতি-আবহাওৱাৰ আলোচনা আৰম্ভ কৰি দিছে, সেই মানুহজনৰ বাহিৰৰ প্ৰকৃতি (মুখ নহয়) ধাৰণা হয় যেন অলপ তাৰ ভেকুমামাৰদৰে, গোলমাল নম্ৰ মুখ, নাতিদীৰ্ঘ ধুতি আৰু টাপলি মৰা পাম্প চু, শান্ত, ধীৰ, ধৰ্মভীৰু, আইনভীৰু, সদায় সজপথে চলে, মিছা কথা নকয়, ভেটি নাখায়, ভেটি নিদিয়ে, কাৰো সাতে পাঁচে নাযায়, কাৰো কোনো অন্যায় নকৰে—আৰু কাকো তেওঁৰ প্ৰতি কোনো অন্যায় কৰিবও নিদিয়ে। আৰু হয়তো সেইবাবেই তেওঁৰ নিৰাড়ম্বৰ সংসাৰত আৰু তেওঁৰ জীৱনত কোনো পেঁচ নাই, কোনো জটিলতা নাই—মামী সুখী, ল’ৰা-ছোৱালীকেইটাই নিয়ম মতে পঢ়া-শুনা কৰে, আৰু তেওঁ সকলোৰে বাবে মোনাখন হাতত লৈ বজাৰত ভাল মাছ বিচাৰি যায়, কৃতকাৰ্য হ’লে তেওঁৰ ঘৰত মামী, ল’ৰা-ছোৱালী, সকলোৰে বিভিন্ন দিশৰপৰা খুশী হয়...

এই মানুহজনৰো হয়তো এটা একমাত্ৰ ভাগিন আছিল, যাৰ মাক-দেউতাক নাই, তেওঁৰ ঘৰত থাকি ইস্কুলত পঢ়িছিল, ইমান চুপ-চাপ, ইমান বিষণ্ণপ্ৰকৃতি, ইমান নিৰুৎসাহ, কথা এটা মুখ ফুটাই ক’বলৈ ইমান দ্বিধা, ইমান ইতস্ততঃ—তেওঁৰ ভাগিনটোৱে মাজে-মাজে তেওঁৰদৰে নিজঞ্জাল নিশ্চিন্ত মানুহজনকো হয়তো চিন্তাত পেলাইছিল। তাৰ কি হৈছে ভাবি তেওঁ আচৰিত হৈছিল, মামী চিন্তিত হৈছিল। তেওঁৰ পিনৰপৰা যি কৰিবলগীয়া তেওঁ সকলো কৰিছে, নিজৰ ল’ৰাৰদৰে ৰাখিছে, মামীয়েও তাক নিজৰ মাকৰদৰেই মৰম কৰিছে...অৱশেষত তেওঁ ঠিক কৰিছে যে অকল মাক-দেউতাকৰ অভাবেই এই বেজাৰ—এৰা, ভীৰু—প্ৰকৃতিৰ কাৰণ হ’ব নোৱাৰে (তেনেকুৱা ল’ৰা-ছোৱালীতো কত আছে পৃথিৱীত), ক’ৰবাত কেতিয়াবা কিবা এটা ঘটিছে...যি নহওক ধানটোৰে পতি কণটো, মানুহটোৰে পতি মনটো...পাছত যেতিয়া ডাঙৰ হৈ সি মেছলৈ উঠি গ’ল, বহুতো সাধ্যসাধনা সত্ত্বেও আৰু মামাৰ ঘৰত থাকিবলৈ ৰাজী নহ’ল, তেওঁ ভাবি নাপালে এইটো কি—তাৰ কিবা অসন্তুষ্টি, নে তাৰ অকৃতজ্ঞতা। কিন্তু তেওঁৰ নিজৰ বিবেক পৰিষ্কাৰ...হঠাৎ এদিন, আজি, তাক চহৰৰপৰা অন্তৰ্ধান হোৱা দেখি তেওঁ আচৰিত হোৱা নাই বিন্দুমাত্ৰ, মামীয়েও অলপ কান্দিছে (‘যি অঁকৰা ল’ৰা, ক’ৰবাত ভাল-বেয়া কিবা এটা যদি কৰি পেলায়...মোৰ ইমান যে ভয় লাগে...’) কিন্তু আচৰিত হোৱা নাই। ক’লৈ গ’ল সি, কি কৰি খাব সি? কি ঘটনা, কি সঙ্কট, কি কষ্ট? বাল্যবন্ধু বিচ্ছেদৰ শোক, এটা বিৰাট শ্বক? নে আইমনু ছোৱালীজনীৰ বিয়া হৈ যোৱাৰ দুখ (এখন উপন্যাসৰদৰে)? নে গোটেই জীৱনৰ ওপৰত বহুদিন ধৰি জমা হোৱা কোনো এটা বিৰাগ? ঘৰৰ কাষৰ সুৰেন উকিলৰ সেই জীয়েকজনীক অৱশ্যে তেওঁলোকে সকলোৱে চিনি পাইছিল ভালদৰেই, দুইঘৰৰ বহুদিনৰ অহা-যোৱা—কিন্তু তেওঁ এইটোও জানিছিল যে তাৰ সেমেকা, ভীৰু স্বভাৱেৰে সি তাইক নিজৰ কৰি ল’ব নোৱাৰে কেতিয়াও (পাৰিলে সকলো আচৰিত হ’লহেঁতেন, অৱশ্যেই)। কোনো এটা কথাত আগবাঢ়ি যাবলৈ, লাগি থাকিবলৈ, যিটো আত্মবিশ্বাস, যিখিনি মনৰ উছাহ, যিখিনি সহজ আগ্ৰহৰ প্ৰয়োজন, সেইখিনি হয়তো তাৰ কেতিয়াও...সি মুখ ফুটাই একাষাৰ কোৱাহেঁতেনো (তেওঁৰ আগত বাৰু নালাগে, অন্ততঃ মামীয়েকৰ আগত) তেওঁ আৰু মামীয়ে তাৰ মনৰ ইচ্ছাৰে ঘৰ এখন পাতি দিয়াৰ চেষ্টা কৰিলেহেঁতেন যথাসাধ্য, কিন্তু সি ইমান চেপা, তাৰ মনত ইমান দ্বিধা, ইমান অনাৱশ্যকীয় পেঁচ...

ইমান চেপা, মনৰ ইমান অনাবশ্যকীয় পেঁচ...যাৰ কাৰণেই সি কৃতজ্ঞ যে এই বীমা এজেন্ট আৰু এই ভেকুমামা আজিৰ ইন্টাৰভিউত তাৰ প্ৰতিদ্বন্দ্বী নহয় খুব সম্ভৱতঃ, হ’লে এজনে তেওঁৰ অনৰ্গল কথাৰে স্ৰেফ উৎসাহৰ সোঁতত, আনজনে স্ৰেফ তেওঁৰ চৰিত্ৰবলেৰে তাক ভহাই নিব ক’ৰবাত। ইমান দ্বিধা, ইমান পেঁচ...যাৰ কাৰণে সি মুখ ফুটাই জোৰ দি কথা এটা ক’ব তো নোৱাৰেই, আনকি মানুহৰ মুখলৈও খোলাখুলিভাবে চাব নোৱাৰে, চকুৰে-চকুৰে পৰিলে কুণ্ঠিত হৈ পৰে, যেনেকৈ এতিয়া এই চেলুনৰ অচিনাকি মানুহবোৰকো চাইছে যেন লুকাই-লুকাই, আয়নাত, যেন হঠাৎ কোনোবাই দেখি পেলালে সি সন্মুখীন হ’ব লাগিব কি এটা বিব্ৰত পৰিস্থিতিৰ! ইস্কুলীয়া ভাইটিটোৰ কাষৰ চকীত যিখন মুখে কেনেডী-জৱাহৰলালৰ ৰঙীন ছবি এখনৰ তলত বহি চুলি কটাইছে, সেই মুখখনে আয়নাৰ মাজেদি তালৈ চাইছে নে নাই সি ঠিক ধৰিব পৰা নাই, কিয়নো মুখখনৰ পাৰ্শ্বপ্ৰতিবিম্ব হে ইয়াৰপৰা দেখা গৈছে, আৰু আয়নাখনৰ ওপৰত বিন্দু-বিন্দু পানীৰ এটা ধুঁৱলি তৰপ পৰিছে, আৰু তাৰ ওপৰেদি চিগাৰেটৰ ধোঁৱাৰ পৰ্দা। প্ৰায় প্ৰতিটো প্ৰতিবিম্বই এনেকুৱা পাৰ্শ্বৰপৰা, পাছপিনৰপৰা, কুণীয়াকৈ তাৰ চকুত পৰিছে, কাৰোবাৰ গাল, কাৰোবাৰ থুঁতৰি, কাৰোবাৰ ডিঙি, আৰু প্ৰতিখন আয়না অসমতল, য’ত শকত মুখবোৰ কৃশ আৰু ক্ষীণ হাতবোৰ প্ৰকাণ্ড মোটা আঙুলিযুক্ত যেন হৈছে, আৰু সেই বাবেই হয়তো ইমান বেঁকা-দীঘল যেন বোধ হৈছে মানুহজনৰ নাকটো, সামান্য বেঁকা যেন ধাৰণা হৈছে তেওঁৰ বাওঁ চকুৰ চাৰনিটো। অথবা হয়তো এইটো হ’ব পাৰে যে সি ইচ্ছা কৰিয়েই এই বৈশিষ্ট্যবোৰ তাৰ মনত বিবৰ্ধিত কৰি দিছে—যদিও সাদৃশবোৰ অতি সামান্য, হয়তো সম্পূৰ্ণভাৱেই কাল্পনিক—কিয়নো আইমনুৰ স্বামীৰ নাকটোও অলপ বেঁকা আৰু দীঘল, তেওঁৰো বাওঁ চকুৰ চাৱনিটো সামান্য বেঁকা। হা, এই মানুহজনে যদি আজি দহ বজাত ইন্টাৰভিউ দিয়ে, তেন্তে হয়তো সি ভয় নাখাব, এই মানুহজনতকৈ কোনো গুণে নিশ্চয় সি অযোগ্যতৰ নহয়—কি তেওঁৰ আছে

যি তাৰ নাই? বৰং চেহেৰাৰ পিনৰপৰা চাব গ'লে, সি স্পষ্টতঃ...কি তেনেহ'লে দেখা পালে আইমনুৰে এই মানুহজনত (যাৰ আৱিৰ্ভাবো মাথোঁ দুবছৰ আগে, তাৰ দৰে বাৰ-চৈধ্য বছৰীয়া চিনাকি নহয়), কি তেওঁ বিচাৰি পালে তাই, যিটো তাৰ নাই? হয়তো এয়ে বিচাৰি পালে, যে এই মানুহজনে তেওঁক কি লাগে, তেওঁ কি বিচাৰে, তেওঁৰ কাক ভাল লাগিছে, তেওঁৰ কি অভীপ্সা হৈছে ক'ব পাৰে স্পষ্টকৈ, তেওঁ বছৰৰ পাছত বছৰ ইতস্ততঃ কৰি ৰৈ নাথাকে বিব্ৰতমুখে, তেওঁ হাত কোঁচাই পাৰ্কৰ বেঞ্চিত বা মেছৰ বিছনাত বহি নাথাকে বিমূঢ় হৈ, তেওঁ তেওঁৰ পুৰুষকাৰেৰে কৰি যাবৰ চেষ্টা কৰে যিখিনি সম্ভৱ...ব্যৱসায়, মাটি, ঘৰ...অৱশেষত তাৰ এই নিৰুদ্যম নিষ্ক্ৰিয়তাৰ সুযোগ লৈ তাৰ তলতীয়া লহকৰে কেতিয়া তাক চেৰাই গৈ কি ফন্দী লগাই তাৰ ওপৰৰ চাকৰিটোত গৈ বহিছে...সি চাকৰি ইস্তফাও দিয়া নাই, মোকৰ্দমাও কৰা নাই, মাৰপিটো কৰা নাই—অৱশেষত আজি কাকো একো নোকোৱাকৈ ঘৰ-চহৰ এৰি পলাই আহিছে। ভোলাই হয়তো মাৰপিট লগালেহেঁতেন, আইমনুৰ স্বামীয়ে পদত্যাগ কৰিলেহেঁতেন, ভেকুমামাই হয়তো মামীৰ হাতৰ-কাণৰ গহনা বিক্ৰী কৰিও মোকৰ্দমা তৰিলেহেঁতেন আৰু এই সপ্ৰতিভ বীমা এজেন্টজনে ঘটনাটো ঘটিবই নিদিলেহেঁতেন—মুঠতে, সম্পূৰ্ণ বিনা প্ৰতিবাদে তাৰদৰে নিৰ্জীৱ হৈ কোনেও এই অন্যায় মানি নল'লেহেঁতেন...আৰু হয়তো তেনেকৈয়ে দিনে-দিনে ক্ষণে-ক্ষণে তাৰ অনিশ্চয় অনিৰ্ভৰযোগ্য মুখখন তাইৰ ক্ৰমশঃ বিতৃষ্ণ মনৰপৰা আঁতৰি গৈছে, আৰু তাৰ ঠাই লৈছে এই আচহুৱা অসম্ভৱ মুখখনে, যি মুখখনৰ ক্ষুদ্ৰতাৰ মাজত এটা অপৰিমিত দীঘল বেঁকা নাক, যাৰ বাওঁ চকুৰ বেঁকা চাৱনি...নাই, এই মানুহজনে যদি আজি ইন্টাৰভিউ দিব যায়, যিজনতকৈ সি কোনোগুণে কম যোগ্য নহয়, তেন্তে সঁচাকৈয়ে কি সি ইমান সুনিশ্চিত যে—

একৰুলীন ৰুমমেট আৰু বাল্যবন্ধু 'ভোলা বৰা'ৰ চুলি কটা শেষ হৈছে, চিত্ৰ-বিচিত্ৰ ছীটৰ কামিজ পিন্ধা চিকুণ ডেকা হাজামজনে তেওঁৰ মূৰটো মালিচ কৰিব ধৰিছে শব্দ কৰি-কৰি, ভোলা বৰা এতিয়াও দুই ওঁঠ চেপি স্থিৰ হৈ বহি আছে, পৰিষ্কাৰ দাড়িবিহীন মুখ, পৰ্দাৰ ফাঁকেৰে সোমোৱা এটুকুৰা ৰ'দৰ ঝলকত তেওঁৰ গালৰ ক্ষীণ আইৰ দাগবোৰ অস্পষ্ট। মূৰ মালিচ কৰি দিলে হয়তো তেওঁ ভাল পায়—হঠাৎ তাৰ মনত খেলালে—নহ'লে তেওঁ মালিচ কৰিব নিদিলেহেঁতেন কেতিয়াও। তেওঁ কি ভাল পায় তেওঁ জানে, অইনে তেওঁক জোৰ কৰি দিব নোৱাৰে। মূৰ মালিচ কৰিলে বিশ্ৰী কিছুমান শব্দ কৰে নাপিতে, আৰু মূৰটো টিপিটাপি থাপ্পৰ মাৰি-মাৰি বিষাই দিয়ে, অত্যন্ত অপ্ৰীতিকৰ, কিন্তু আজিলৈকে—তাৰ মনত পৰিল—সি জোৰ কৰি ক'ব নোৱাৰিলে যে তাক মালিচ নালাগে। যদি কৈছেও কেতিয়াবা অনিশ্চয়মুখে, নাপিতে কৈ উঠিছে, এঃ কিয় নালাগে, বঢ়িয়া হ'ব, মূৰটো খুব আৰাম লাগিব, চৰেই কৰে, দিয়ক-দিয়ক, মই বঢ়িয়াকৈ কৰি দিছোঁ—আৰু সি মূৰটো পাতি দিছে। এইটোও স্পষ্ট (সি আৰু ভাবিলে) যে 'আইমনুৰ স্বামী'য়েও আপত্তি কৰিব, যদি তেওঁ মূৰত থাপ্পৰ খাবৰ ইচ্ছা নকৰে, আৰু 'ভেকুমামা'—এৰা, তেওঁ কোনোদিনে ঘৰলৈ অহা নাপিতক মূৰ মালিচ কৰিব দিয়া নাই, এটা নম্ৰ হাঁহি মাৰি "নাই, নালাগে" বুলি পীৰাৰপৰা থিয় দি উঠিছে।

ভাইটিৰো চুলি কটা শেষ হৈছে, লুঙ্গি পিন্ধা হাজামজনে ঘূৰি-ঘূৰি চাইছে কোন-কোন বহি আছে...অসম্ভৱ পিয়াহ লাগিছে, ক'ৰবাৰপৰা পানী এগিলাচ খাই আহিব পৰা হ'লে...নাক দীঘল মানুহজনৰ হাজামজনে (যাৰ নিজৰ মুখত দুই-তিনিদিনৰ খোঁচা দাড়ি) চামৰাত ক্ষুৰখন ধাৰ দিব ধৰিছে। ফেনখনৰ কেৰ্-কেৰ্ শব্দ ইমান সময়ে বিক্ষিপ্ত কথা-বাৰ্তা আৰু কেচিৰ কিচ্-কিচ্-কিচ্-কিচ্ শব্দৰ লগত মিলি এটা পৰিচিত আবহাওৱাৰদৰে হৈ গৈছে, কিন্তু এতিয়াও সি কাৰো পিনে ভালদৰে মুখ তুলি চোৱা নাই, বিভিন্ন অ-সমতল আয়নাত মাথোঁ সি মুখবোৰ দেখিছে, বিভিন্নাংশে বিকৃত প্ৰতিকৃতি, সোঁহাতৰপৰা, বাওঁহাতৰপৰা, সমুখ, পিছ, পাৰ্শ্ব, ওচৰত, দূৰত—এখন আয়নাত দেখিছে, ৰুমাল এখনেৰে গগলছ্যোৰ মচি-মচি বীমা এজেন্টে সোৎসাহে অঙ্গী-ভঙ্গী দি ভেকুমামাক কিবা বুজাইছে, ভেকুমামাই মিচিকি-মিচিকি সৌজন্যৰ হাঁহি মাৰি নীৰৱে শুনিছে (অৰ্থাৎ নিৰুপায় হৈ সহ্য কৰি গৈছে)। আন এখনত, ভাইটিৰ মুখখন বগা কাপোৰখনৰ তলৰপৰা আচৰিত হৈ উকি মাৰিছে—তাৰ জপৰা মূৰটো ক'লৈ গ'ল! প্ৰতীক্ষমান ড্ৰেইনপাইপ-ভাইজানৰ বিৰক্ত মুখখন মাজে-মাজে দূৰৰ কোনো এখন আয়নাত একোবাৰ ভুমুকি মাৰি আকৌ ওলাই গৈছে। আন এখন আয়নাত সি দেখিছে, আৰু দুজন মানুহ আহি বহিছে; এজন বগা পায়জামা আৰু চছ্মা পিন্ধা মধ্যবিত্ত জাতীয় মানুহ, তেওঁ ঘনে-ঘনে হাতঘড়ী চাইছে, হাতত এটা ঔষধৰ বটল, হয়তো অফিচকৰ্মী বা শিক্ষক বা—, আৰু আনজন মানুহৰ টেৰিলিনৰ ট্ৰাউজাৰৰ তলৰ অংশটো মাথোঁ আয়নাত দেখা গৈছে, ট্ৰাউজাৰৰ ওপৰত এখন খবৰৰ কাগজৰ দুটা খোলা পাত ওলমি পৰিছে, তাৰ আঁৰৰপৰা চিগাৰেটৰ ধোঁৱা বাহিৰ হৈছে। আৰু দূৰৰ আন এখন আয়নাত ধুঁৱলিৰ মাজেৰে দেখা যায় খোঁচা-খোঁচা দাড়িৰে এজন ক্ষীণ মানুহ বহি আছে, ভঙা গাল, গাঁতত সোমোৱা চকুৰ চাৰিওপিনে ক'লা দাগ, থুঁতৰিত হাত দি যেন কি গভীৰ চিন্তাত মগ্ন, এখন হাত মজিয়াত থোৱা চুটকেচ এটাৰ ওপৰত ঢিলাই দিছে।

যাক, পায়জামা আৰু চছ্মা পিন্ধা 'শিক্ষক' মানুহজনৰ লগত তাৰ প্ৰতিদ্বন্দ্বিতাৰ প্ৰশ্ন নাহে! মানুহজনৰ বহুত বয়স হৈছে, তেওঁ তাৰ এই চাকৰিটোৰ ইন্টাৰভিউ দিব নোৱাৰে। টেৰিলিনভূষিত মানুহজনৰ মুখখন এতিয়াও খবৰৰ কাগজৰ আঁৰত, গতিকে তেওঁৰ কথা সি ক'ব নোৱাৰে। কিন্তু খোঁচা দাড়িৰে সেই কৃশাঙ্গ মানুহজনে যদি ইন্টাৰভিউ দিব যায়, তেনেহ'লে—তাৰ ধাৰণা হ'ল—তাৰ আশা আছে, খুবেই ভাল আশা আছে। দেখিলেই অনুভৱ কৰিব পাৰি এই এজন মানুহ, যাক পৰাজিত কৰাটো কোনো কঠিন কাম নহ'ব। চোৱা, কেনেকৈ মানুহজনে চুটকেচটোৰ ওপৰত কি অলস ভঙ্গীত হাতখন উৰঁলাই দিছে, নিউজৰীলত যেনেকুৱা দেখা যায় চাৰিওপিনৰপৰা ঘোচা খাই-খাই মুষ্টিযোদ্ধাই বক্সিং ৰিঙৰ চুকত হাত মেলি দি বহি পৰিছে, যিটো ভঙ্গী এটা প্ৰতীক—তেওঁ সকলো চেষ্টা এৰি দিছে, আৰু চোৱা, কেনেকুৱা নিৰ্জীৱ, কেনেকুৱা নিস্পন্দ, কেনেকুৱা অযত্ন-জৰ্জৰিত মুখ, নিৰাশ, নিষ্প্ৰভ। দেখিলেই ক'ব পাৰি, এজন পৰাজিত মানুহ।

অন্ততঃ এই এজন মানুহক সি পৰাজিত কৰিব পাৰিব। জীৱনৰ এই মুহূৰ্তলৈকে সি নিজেই বাৰংবাৰ পৰাজিত, সঁচা, তাৰ ওপৰেৰে অসংখ্য ক্ষোভ আৰু হতাশাৰ ঘূৰ্ণী বৈ গৈছে, সঁচা, কিন্তু এই মানুহজনৰদৰে সি এতিয়াও সম্পূৰ্ণভাৱে হাত দাঙি দিয়া নাই। সি নতুন জীৱন আৰম্ভ কৰিবৰ চেষ্টা কৰিছে, সি ভাবিবৰ চেষ্টা কৰিছে, কিয় তাৰ নিজৰে নিজৰ প্ৰতি কোনো সহানুভূতি নাহে, সি তাৰ পুৰণি ভুলৰপৰা শিক্ষা ল'বৰ প্ৰয়াস কৰিছে, সি বিশ্লেষণ কৰিবৰ চেষ্টা কৰিছে তাৰ কি নাই যি তাৰ বাল্যবন্ধুৰ আছে, তাৰ মামাৰ আছে, আইমনুৰ স্বামীৰ আছে, তাক ফালৰি কাটি তাৰ চাকৰি হস্তগত কৰা লহকৰৰ আছে, এই বীমা এজেন্টজনৰ আছে, সি বুজিবৰ চেষ্টা কৰিছে তাৰ কি হৈছে, তাক কি লাগে, তাক কি লাগে—

"আইয়ে চা'ব—"

তন্ময়তা ভাঙি তাৰ চুটকেচৰপৰা হাতখন কোঁচাই আনি সি থতমত খাই উঠিল আৰু আগবাঢ়ি গ'ল, খোঁচা-খোঁচা দাড়িৰে ক্ষীণ, পৰাজিত মানুহজন আয়নাৰ মাজেৰে তাৰ পিনে আগুৱাই আহিল। তাৰ ক'লা চকু দুটা মোহাৰি সি একমুহূৰ্ত নিজৰ সন্মুখীন হৈ স্থিৰভাৱে চকুৰে-চকুৰে চালে, তাৰপাছত ক্ষুৰৰ তলত গৈ বহিল।